GJMC S2 01

সাংবাদিকতা

দ্বিতীয় ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড-১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক কে.ভি. নাগৰাজ, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
অধ্যাপক অভিজিত বৰা, মুৰব্বী, সাংবাদিকতা আৰু গণসংযোগ বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক তথা মুৰব্বী,সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° কে.এইছ কাবি, সহযোগী অধ্যাপক তথা মুৰব্বী গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুনাচল প্রদেশ

সমন্বয়ৰক্ষী ঃ ড° তৃষা দুৱৰা বৰুৱা আৰু ড° জুৰি হাজৰিকা, ভূপেন হাজৰিকা গণসংযোগ সত্র, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২, ৩	ড° তৃষা দুৱৰা বৰুৱা	গীতাঞ্জলি মেধি
৪	অধ্যাপক, অভিজিত বৰা	(অধ্যায়১, ২, ৪, ৫,৬,৭)
৫-৭	নীহাৰিকা বুঢ়াগোঁহাই,	
	সহকাৰী অধ্যাপিকা, গণসংযোগ বিভাগ,	বিনোদ বৰা (অধ্যায় ৩)
	চিকিম বিশ্ববিদ্যালয়, আৰু ড° তৃষা দুৱৰা বৰুৱা	

সম্পাদনা ঃ

মুল বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক মৃনাল চেটার্জী, ইণ্ডিয়ান ইন্সটিটিউট অব মাচ কমিউনিকেচন, ধেনকানাল

ভাষা সম্পাদনা (অসমীয়া) ঃ শ্রী মতী জয়শ্রী কলিতা (অধ্যায় ২), প্রাগজ্যোতিষ মহাবিদ্যালয়
ড° গীতাঞ্জলী তালুকদাৰ (অধ্যায় ৪), পূব বংশৰ মহাবিদ্যালয়
ড° তৃষা দুৱৰা বৰুৱা (অধ্যায় ১, ৩, ৫, ৬, ৭)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° তৃষা দুৱৰা বৰুৱা আৰু ড° জুৰি হাজৰিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জানুৱাৰী, 2018

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

নগৰ কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যক্রমৰ বিৱৰণ

সাংবাদিকতা আৰু গণসংযোগ

দ্বিতীয় ষান্মাসিক,

খণ্ড - ১

সাংবাদিকতা

পৃষ্ঠা নং

অধ্যায় ১ঃ সাংবাদিকতাৰ ধাৰণা ৫-১৭

সাংবাদিকতাৰ ধাৰণা, সাংবাদিকতাৰ উৎপত্তিঃ প্ৰাৰম্ভিক যুগ, সাংবাদিকতাৰ উদ্দেশ্য, সমাজত সাংবাদিকতাৰ ভূমিকা, সাংবাদিকতাৰ উপাদান

অধ্যায় ২ঃ এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায় ১৮-৩০

সাংবাদিকৰ অর্থ, এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায়, সাংবাদিকৰ ভূমিকা আৰু দায়িত্ব, সাংবাদিকৰ অধিকাৰ

অধ্যায় ৩ঃ সাংবাদিকতাৰ প্ৰকাৰ ৩১-৪৩

সাংবাদিকতাৰ প্ৰকাৰসমূহ ঃ ব্যৱহাৰিক দিশৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ, লিখিত পদ্ধতিৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ, উপস্থাপন শৈলীৰ ওপৰত ভিত্তি কৰি সাংবাদিকতাৰ প্ৰকাৰ; বৃত্তি হিচাপে সাংবাদিকতা

অধ্যায় ৪ঃ গণতন্ত্ৰত সাংবাদিকতাৰ ভূমিকা ৪৪-৬৪

প্ৰেছ (সংবাদ মাধ্যম)ৰ স্বাধীনতা, প্ৰোথিত সাংবাদিকতা, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা, ৰাষ্ট্ৰীয় পৰ্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা, আঞ্চলিক পৰ্যায়ত সংবাদ মাধ্যমৰ স্বাধীনতা

অধ্যায় ৫ঃ বাতৰি ৬৫-৭৬

বাতৰিৰ ধাৰণা আৰু সংজ্ঞা, বাতৰিৰ উৎস, বাতৰিৰ বস্তুনিষ্ঠতা আৰু যথার্থতা

অধ্যায় ৬ঃ বাতৰিৰ প্ৰকাৰ ৭৭-৮৭

বাতৰিৰ প্ৰকাৰ, বাতৰিৰ নীতি, এটা ভাল বাতৰিৰ গুণ

অধ্যায় ৭ঃ বাতৰি প্ৰমূল্য ৮৮-৯৮

বাতৰি প্ৰমূল্য

পাঠ্যক্রমৰ পাতনি

সাংবাদিকতা আৰু গণসংযোগ বিষয়ৰ দ্বিতীয় ষান্মাসিকৰ তৃতীয় পাঠ্যবিষয়টো হ'ল সাংবাদিকতা। পাঠ্যবিষয়টো দুটা খণ্ডত ভগোৱা হৈছে। প্ৰথম খণ্ডত ৭ টা অধ্যায় আৰু দ্বিতীয় খণ্ডত ৮ টা অধ্যায় আছে। পাঠ্যবিষয়টোৱে আপোনাৰ বাবে সাংবাদিকতাৰ জগতখনৰ ৰোমাঞ্চকৰ আৰু প্ৰত্যাহ্বানমূলক দিশবোৰ বুজাৰ দুৱাৰ মুকলি কৰি দিব। দ্বিতীয় খণ্ডত এটা ব্যৱহাৰিক অনুশীলনভিত্তিক অধ্যায় আছে। অধ্যাটো পঢ়ি উঠাৰ পাচত আপুনি যিকোনো প্ৰখ্যাত ব্যক্তি এগৰাকীৰ সাক্ষাৎকাৰ গ্ৰহণ কৰিব লাগিব আৰু সাক্ষাৎকাৰটোৰ ভিত্তিত এক প্ৰতিবেদন (উপযুক্ত প্ৰতিলিপি সহ) দাখিল কৰিব লাগিব। প্ৰতিবেদনখনৰ মৌলিকতা আৰু প্ৰাসংগিকতাৰ আধাৰত নম্বৰ দিয়া হ'ব। পাঠ্যবিষয়টোৰ অন্তৰ্গত অধ্যায়বোৰত সৰল আৰু সহজে বুজি পোৱা ভাষাত বিভিন্ন ধাৰণা, বিষয়বস্তু, উপবিষয়বস্তু আদিৰ বহল আলোচনা আগবঢ়োৱা হৈছে। অধ্যায়বোৰ পঢ়ি খোকোজা নলগাকৈ কথাবোৰ আয়ত্ব কৰিব পাৰিব বুলি আমি আশাবাদী। এই পাঠ্যক্ৰমটো সমাপ্ত কৰি আপুনি সাংবাদিকতা সম্পৰ্কে এক স্পষ্ট আৰু বিস্তৃত ধাৰণাৰ গৰাকী হ'ব পাৰিব বুলিও আমি আশা কৰিলোঁ।

প্ৰথম খণ্ডৰ পৰিচয় ঃ

এইটো হ'ল 'গণসংযোগৰ পৰিচয়' শীৰ্ষক পাঠ্যবিষয়টোৰ প্ৰথম খণ্ড। তলত খণ্ডটোত সন্নিৱিষ্ট অধ্যায় সাতটাৰ চমু বিৱৰণী দিয়া হ'ল-

অধ্যায় ১ঃ সাংবাদিকতাৰ ধাৰণা

'সাংবাদিকতা' বিষয়ক পাঠ্যবিষয়ৰ এইটো প্ৰথম অধ্যায়। অধ্যায়টোত সাংবাদিকতাৰ ধাৰণাটো, ইয়াৰ উৎপত্তি, উদ্দেশ্য, সামাজিক ভূমিকা আৰু গঠনকাৰী উপাদানবোৰৰ বিষয়ে বহলাই আলোচনা কৰ হৈছে।

অধ্যায় ২ঃ এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায়

'সাংবাদিকতা' বিষয়ক পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়টিৰ নাম হ'ল 'এগৰাকী ভাল সাংবাদিক হোৱাৰ উপায়'। অধ্যায়টো পঢ়ি আপুনি ভাল সাংবাদিক কাক কয় সেয়া স্পষ্টকৈ বুজি পাব। অধ্যায়টোত সাংবাদিকৰ সামাজিক ভূমিকা তথা দায়িত্ববোৰৰ বিষয়েও আলোচনা কৰা হৈছে। সাংবাদিকৰ অধিকাৰ হ'ল অধ্যায়টোৰ আন এক আলোচ্য বিষয়।

অধ্যায় ৩ঃ সাংবাদিকতাৰ প্ৰকাৰ

এই অধ্যায়টোৱে আপোনাক সাংবাদিকতাৰ বিভিন্ন প্ৰকাৰৰ সৈতে চিনাকি কৰাই দিব। সাংবাদিকতাক বিভিন্ন মঞ্চ, লেখক শৈলী আৰু উপস্থাপন শৈলীৰ আধাৰত বিভিন্ন ভাগত ভগোৱা হয়। অধ্যায়টোত বৃত্তি হিচাপে বিগত বছৰবোৰত হোৱা সাংবাদিকতাৰ উত্থান সম্পৰ্কেও আলোচনা কৰা হৈছে।

অধ্যায় ৪ঃ গণতন্ত্ৰত সাংবাদিকতাৰ ভূমিকা

এই অধ্যায়টোত আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত প্ৰেছ (সংবাদ মাধ্যম)ৰ স্বাধীনতাৰ ধাৰণাটো আলোচনা কৰা হৈছে। প্ৰোথিত সাংবাদিকতাৰ লগতে গণতন্ত্ৰ, সংবাদ মাধ্যম আৰু ৰাজহুৱা ক্ষেত্ৰত সৈতে জড়িত আন সমস্যাবোৰ হ'ল অধ্যায়টোৱে সামৰি লোৱা আন কিছুমান বিষয়।

অধ্যায় ৫ঃ বাতৰি

এই অধ্যায়টো পঢ়ি আপুনি বাতৰিৰ সংজ্ঞা আৰু উৎসবোৰৰ বিষয়ে জানিব পাৰিব। বাতৰিৰ বস্তুনিষ্ঠাতা আৰু যথাৰ্থতা হ'ল অধ্যায়টোৰ আন দুটা আলোচ্য বিষয়।

অধ্যায় ৬ঃ বাতৰিৰ প্ৰকাৰ

এই অধ্যায়টোত বাতৰিৰ বিভিন্ন প্ৰকাৰ, বাতৰি প্ৰস্তুত কৰাৰ বিভিন্ন নীতি আৰু এটা ভাল বাতৰিৰ মাজত থাকিবলগীয়া গুণবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

অধ্যায় ৭ঃ বাতৰি প্ৰমূল্য

এই অধ্যায়টোৰ আলোচ্য বিষয় হ'ল কালসংগতি, গুৰুত্ব, সংঘাত, নৈকট্য, পৰিচিতি, প্ৰভাৱ বা পৰিণাম, বিকাশ, দুৰ্যোগ, মানৱীয় আগ্ৰহ, সাময়িক প্ৰকৃতি, অভিনৱত্ব, উপযোগিতা আৰু শৈক্ষিক মূল্যৰ দৰে বিভিন্ন বাতৰি মূল।

এই পাঠ্যবিষয়টো পঢ়ি যাওঁতে কিছুমান পৃষ্ঠাত আপুনি কেইটামান পার্শ্ববাকচ দেখিব। বাকচবোৰ পাঠৰ সোঁফালে নাইবা বাওঁফালে দিয়া আছে। বাকচবোৰত পাঠত উল্লেখ থকা কিছুমান বিশেষ শব্দ আৰু ধাৰণাৰ ব্যাখ্যা দিয়া আছে। ইয়াৰ উপৰি প্ৰতিটো অধ্যায়তে 'অনুশীলনী' আৰু 'অগ্ৰগতি নিৰীক্ষণ' শিতান দুটাৰ অধীনত কিছুমান দীঘল আৰু চমু প্ৰশ্ন দিয়া হৈছে। অনুশীলনে আপোনাৰ চিন্তাশক্তি বৃদ্ধি কৰিব। কাৰণ এই শিতানত থকা প্ৰশ্নবোৰ পোনপটীয়াকৈ পাঠৰ পৰা তুলি দিয়া হোৱা নাই। চমু প্ৰশ্নবোৰৰ উত্তৰ 'অগ্ৰগতিৰ খতিয়ান' শিতানত পাব। অধ্যায়ৰ সামৰণিত 'আৰ্হি প্ৰশ্ন' শিতানত পাঠৰ সৈতে সম্পৰ্ক থকা প্ৰশ্ন কেইটামান দিয়া হৈছে। প্ৰশ্নকেইটাই আপোনাক পৰীক্ষাত আহিব পৰা সম্ভাব্য বিষয়বোৰৰ অধ্যয়নত মনোযোগ দিয়াত সহায় কৰিব যাতে আপুনি আত্মবিশ্বাস সহকাৰে পৰীক্ষাৰ বাবে প্ৰস্তুত হ'ব পাৰে।

অধ্যায় ১ ঃ সাংবাদিকতাৰ ধাৰণা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সাংবাদিকতাৰ ধাৰণা
১.৪ সাংবাদিকতাৰ উৎপত্তি ঃ প্ৰাৰম্ভিক যুগ
১.৫ সাংবাদিকতাৰ উদ্দেশ্য
১.৬ সমাজত সাংবাদিকতাৰ ভূমিকা
১.৭ সাংবাদিকতাৰ উপাদান
১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৯ অধিক জানিবলৈ
১.১০ অগ্ৰগতি খতিয়ান
১.১১ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সাংবাদিকতাৰ ধাৰণাটো বুজি পাব
- সাংবাদিকতাৰ আৰম্ভণি কেনেকৈ হ'ল তাৰ ইতিহাস জানিব পাৰিব
- সাংবাদিকতাৰ উদ্দেশ্য বৰ্ণনা কৰিব পাৰিব
- সাংবাদিকতাৰ সংজ্ঞা দিব পাৰিব আৰু সাংবাদিকতাৰ উপাদানসমূহ বৰ্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

'সাংবাদিকতা' শীৰ্ষক কাকতখনৰ এইটো হ'ল প্ৰথম অধ্যায়। ইয়াৰ আগৰ কাকতখন পঢ়ি আপুনি গণ সংযোগৰ পৃথিৱীখন সম্পৰ্কে এটা ধাৰণা লাভ কৰিছিল। কাকতখনৰ বাবে আপুনি গণ সংযোগৰ বিভিন্ন তত্ত্ব আৰু আৰ্হিৰ বিষয়েও পঢ়িবলগীয়া হৈছিল। এই অধ্যায়টি পঢ়ি আপুনি সাংবাদিকতা কি, সাংবাদিকতাৰ ইতিহাস আৰু সাংবাদিকতাৰ উপাদানসমূহৰ বিষয়ে জানিব পাৰিব।

১.৩ সাংবাদিকতাৰ ধাৰণা

এটা কলা, এটা বৃত্তি আৰু এটা ব্যৱসায় হিচাপে সাংবাদিকতাৰ ইতিহাস দুশ বছৰতকৈও

অধিক দীঘলীয়া বুলি কোৱা হয়। বহুতো প্ৰযুক্তিৰ লীনভৱন আৰু সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক বিকাশৰ ফলশ্ৰুতিতে সাংবাদিকতাৰ উত্থান ঘটিছে। ছপাশালৰ উদ্ভাৱন আৰু ৰে'লপথৰ সম্প্ৰসাৰণে বিশাল পৰিসৰৰ ছপা কাম আৰু প্ৰকাশিত সামগ্ৰীৰ বিতৰণ সম্ভৱ কৰি তুলিছে। কলা হিচাপে সাংবাদিকতাই সম্পাদকীয় লেখনী, আৰ্হি অথবা ছপা কৌশলৰ দৰে বিশেষ ক্ষেত্ৰত ব্যুৎপত্তি লাভ কৰিছে। উদাহৰণ স্বৰূপে সংবাদদাতা (reporters) আৰু উপ-সম্পাদকৰ (sub-editor) কাৰ্যলৈ মন কৰক। তেওঁলোকে নিৰ্দিষ্ট সময়সীমা (deadline) মানি বাতৰি প্ৰস্তুত কৰিব লাগে, কাৰ্যক্ষেত্ৰৰ ৰুটিন মানি চলিব লাগে, একে সময়তে সংবাদকক্ষ আৰু ছপাশালৰ শ্ৰম বিভাজন পদ্ধতিটোকো সন্মান কৰিব লাগে।

এটা বৃত্তি হিচাপে বৰ্তমানলৈকে ভাৰতত সাংবাদিক হ'বলৈ কোনো বিশেষ বিষয়ত ব্যুৎপত্তি আহৰণ কৰা শিক্ষাগত অৰ্হতা আৰু প্ৰশিক্ষণৰ প্ৰয়োজন নাই। সাংবাদিক হ'ব খোজাসকলৰ বাবে কোনো ধৰণৰ বিশেষ শিক্ষাগত অথবা বৃত্তিগত অভিজ্ঞতা অথবা পটভূমি বাধা হ'ব নোৱাৰে। সাংবাদিকতাৰ বৃত্তিটোৰ সংজ্ঞা দাঙি ধৰা অথবা সাংবাদিক-পৃষ্ঠপোষকৰ (পাঠক, বিজ্ঞাপনদাতা, বিজ্ঞাপন এজেন্সী, জনসম্পৰ্কৰক্ষী বিষয়া আদি) সম্পৰ্ক চিহ্নিত কৰিব পৰা কোনো সুনিৰ্দিষ্ট জ্ঞানকেন্দ্ৰ নাই। তেনেহ'লে 'সাংবাদিকতা' (Journalism) কি? সাংবাদিকতাৰ সমাৰ্থক ইংৰাজী শব্দ Journalism, সাংবাদিকৰ সমাৰ্থক Journalist আৰু সংবাদ-পত্ৰ / পত্ৰিকাৰ সমাৰ্থক Journal ৰ মূল হ'ল ফৰাছী শব্দ Journal। এই ফৰাছী শব্দটোৰ উৎস হ'ল লেটিন ভাষাৰ অভিধা'diurnalis'- যাৰ অৰ্থ 'দৈনিক' (daily) । ৫৯ খৃষ্টপূৰ্বত ৰোমৰ প্ৰধান ৰাজহুৱা চতুষ্কোণ উদ্যানৰ দ্য ফ'ৰাম অঞ্চলত দৈনিক আঁৰি থোৱা দ্য এক্টা দিউৰ্না (The Acta Diurna) নামৰ হাতেলিখা বুলেটিনখনক পৃথিৱীৰ প্ৰথম বাতৰি-কাকত বুলি ধৰিব পাৰি। সময় বাগৰাৰ লগে লগে বিভিন্ন ইস্তাহাৰ পুস্তিকা (Pamphlets), ধৰ্মীয় প্ৰচাৰ পুস্তিকা (tracts), পুনৰীক্ষণ (review), সাময়িক আলোচনী (periodicals), বাতৰি পৃষ্ঠা (news sheets) আৰু চিঠি-পত্ৰ (letter) আদিক একেলগে বাতৰি-কাকত (newspaper) বোলা হ'ল। বাতৰি-কাকতত লিখাৰ দায়িত্ব লোৱা লোকসকলক 'নিউজ ৰাইটাৰ' (newswriters) নাইবা 'এছেয়িষ্ট' (essayists) নাইবা 'স্ক্ৰাইবচ্' (scribes) আৰু পাছলৈ 'জাৰ্ণেলিষ্ট' (Journalist) বোলা হৈছিল। ভাৰতৰ মোগল শাসকসকলে ক্ৰমে 'ৰাকিয়া- নৱিচ (Vaquia-navis) আৰু 'কনফিয়ানৱিচ' (confianavis) পদ দুটাৰ সহায়ত ৰাজহুৱা তথা গোপন সংবাদ-লেখকৰ দল গঠন কৰিছিল। তেওঁলোকে সপ্তাহত এবাৰকৈ সাম্ৰাজ্যৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হোৱা প্ৰধান ঘটনাবোৰ ৰাকিয়াত (ৰাজপত্ৰ অথবা বাৰ্তাবাহী নথি) লিপিবদ্ধ কৰিছিল। এনে সংবাদ-পত্ৰবোৰ ৰাজপ্ৰসাদৰ বিশেষ মহিলাসকলে প্ৰতি সন্ধিয়া সম্ৰাটক পঢ়ি শুনাইছিল।

সেই দিনবোৰৰ পৰা আজিৰ তাৰিখলৈ সাংবাদিকতাই এক দীঘলীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে। সাংবাদিকতাই ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমৰ জৰিয়তে বাতৰি সংগ্ৰহ আৰু প্ৰচাৰৰ কাম কৰে। ৰেবষ্টাৰৰ থার্ড ইণ্টাৰনেশ্যনেল ডিক্শ্যনেৰীৰ মতে সাংবাদিকতা হ'ল উপস্থাপন, প্ৰকাশন অথবা সম্প্ৰচাৰৰ বাবে সাময়িক আগ্ৰহজড়িত বিষয়ৰ সংগ্ৰহ অথবা সম্পাদনা কৰা কাৰ্য।

সাংবাদিকতাৰ ধাৰণাটোৰে একাধিক কার্যক্ষেত্র সামৰি লোৱা হয়। সংবাদ প্রতিবেদন প্রেৰণ (reporting), সংবাদ লেখনী (writing) ,সম্পাদনা (editing), আলোকচিত্র তোলা (photographing) অথবা সংবাদৰ সম্প্রচাৰ কৰা (broadcasting news items) আদি সকলো কাম সাংবাদিকতাৰ অন্তর্গত। সংবাদ মাধ্যমৰ ব্যৱহাৰৰ আধাৰত সাংবাদিকতাক ছপা (print) আৰু বৈদ্যুতিক (electronic) এই দুভাগত ভগোৱা হয়। ছপা সাংবাদিকতাত বাতৰি-কাকত, আলোচনী আৰু বিভিন্ন জার্ণেলৰ বাবে কৰা সাংবাদিকতাক ধৰা হয়। বৈদ্যুতিক সাংবাদিকতাই অনাতাঁৰ, টেলিভিছন আৰু ৰেবৰ বাবে কৰা সাংবাদিকতাক সামৰি লয়। সহজ অর্থত সাংবাদিকতা মানে হ'ল লিখিত শব্দ, ধ্বনি অথবা ছবিৰ সহায়ত দিনটোৰ ঘটনাৱলীৰ তথ্য যোগান ধৰা বৃত্তি। সাংবাদিকতাৰ উদ্দেশ্য হ'ল তথ্য জনোৱা আৰু ব্যাখ্যা কৰা, শিক্ষা প্রদান কৰা আৰু মানুহক কোনো ঘটনা সম্পর্কে সচেতন কৰি তোলা। যি সকল ব্যক্তিয়ে বাতৰি কাকত অথবা অলোচনী আদিৰ বাবে লিখে অথবা কাকত-আলোচনী চলায় তেওঁলোককে সাংবাদিক বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাংবাদিকতাৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ২ ঃ কোনখন কাকতক বিশ্বৰ প্রথম বাতৰি-কাকত বুলি ধৰি লোৱা হয়?

.....

১.৪ সাংবাদিকতাৰ উৎপত্তি ঃ প্রাৰম্ভিক যুগ

সাংবাদিকতাৰ প্রাৰম্ভিক ইতিহাসৰ ছপাশালৰ উদ্ভাৱনকাৰী বুলি কোৱা হয়। তেওঁলোকে ইঠাইৰ পৰা সিঠাইলৈ কঢ়িয়াই নিব পৰা ছপাশাল উদ্ভাৱন কৰিছিল। চীনাসকলেই প্রথমে কাগজ প্রস্তুত কৰিছিল আৰু ৮৬৮ খৃষ্টাব্দত বিশ্বৰ প্রথমখন কিতাপ ছপা কৰিছিল। লাহে লাহে ছপা কামৰ কলাটো পশ্চিমীয়া দেশবোৰলৈ বিয়পি গৈছিল। চীনাসকলে নৱম আৰু দশম শতিকাৰ মাজভাগত কঢ়িয়াই লৈ ফুৰিব পৰা ছপাশাল উদ্ভাৱন কৰিছিল যদিও ইউৰোপত চতুর্দশ শতিকাতহে এনে ছপাশালৰ প্রচলন ঘটিছিল।

পঞ্চদশ শতিকাত জার্মানীৰ মেইঞ্জ চহৰৰ সোণাৰি জোহানেচ গুটেনবার্গে কঢ়িয়াই লৈ ফুৰিব পৰা ছপাশালৰ বিকাশ ঘটাইছিল। তেওঁ ধাতুৰে নির্মিত আখৰ সজ্জাৰ সৈতে ব্যৱহাৰ কৰিবৰ বাবে উপযুক্ত এবিধ চিয়াঁহীও উদ্ভাৱন কৰিছিল। ধাতুৰ আখৰ সজ্জাই কাঠৰ ব্লক পদ্ধতিৰ আখৰ সজাই কাঠৰ ব্লক পদ্ধতিৰ আখৰ সজ্জাৰ ব্যৱহাৰ নাইকিয়া কৰিছিল। ১৪৫৬ খৃষ্টাব্দত গুটেনবার্গে বাইবেলৰ প্রায় ৩০০টা কপি ছপা কৰি উলিয়াইছিল। লাহে লাহে পৃথিৱীৰ বিভিন্ন দেশত ছপাশাল স্থাপন কৰা হৈছিল। ইংলেণ্ডৰ প্রথম ছপাশালটোৰ নাম হ'ল কাক্সট'ন

(caxton)। ইয়াৰ স্বত্বাধিকাৰীয়ে জার্মানীৰ ক'ল'ন চহৰত ছপা কাম শিকি আহি ১৪৭৬ চনত ৱেষ্টমিনিষ্টাৰ নামৰ ঠাইডোখৰত ছপাশাল পাতিছিল। কাক্সটনে আগতে লেটিন ভাষাত ছপা হোৱা বহুতো কিতাপ ইংৰাজী ভাষাত ছপা কৰিছিল।

প্ৰাচীন আৰু মধ্যযুগৰ আৰম্ভণিৰ কালছোৱাত বুলেটিন, সংবাদ পুস্তিকা আৰু অন্য প্ৰচাৰধৰ্মী কথা দেৱালত আঠা লগাই থোৱা হৈছিল। ৰাজকীয় ঘোষণা অথবা ৰাজঅজ্ঞানবোৰ প্ৰায়েই এনেদৰে বেৰত আঁৰি দিয়া হৈছিল। অথবা শিলত খোদিত কৰা হৈছিল। ৰজাবোৰে নিজৰ প্ৰতিনিধিৰ পৰা বিভিন্ন বিষয়ৰ লিখিত প্ৰতিবেদনা লাভ কৰিছিল। লেখকে বিভিন্ন সংবাদ-পত্ৰ (News letter) লিখি ৰাজধানীৰ পৰা আঁতৰত বাস কৰা লোকলৈ প্ৰেৰণ কৰিছিল। ভাৰততো মোগল শাসনকালত এনেধৰণৰ সংবাদ-লেখন পদ্ধতিৰ প্ৰচলন আছিল।

ষোড়শ শতিকাৰ মাজভাগত ৰাতিপুৱাৰ বাতৰি-কাকত (morning newspaper) এক স্থায়ী ৰূপ ধাৰণ কৰিছিল। ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে (trading houses) প্ৰথমে সংবাদ-পুথি (news-books) আৰু পাচলৈ সংবাদ-পত্ৰ (news letter) ছপাবলৈ আৰম্ভ কৰিছিল। সংবাদ-পুথিত সাধাৰণতে ৰাজনৈতিক আৰু অৰ্থনৈতিক আগ্ৰহজড়িত বিষয়ক প্ৰাধান্য দিয়া হৈছিল। ১৫৬০ চনত জামানী আৰু চুইজাৰলেণ্ডৰ কোনো কোনো চহৰত ক্ৰমিক নম্বৰ থকা সংবাদ পৃষ্ঠা (news sheets) প্ৰকাশিত হ'বলৈ ধৰিলে। ১৬০৯ চনত জার্মানীত 'অৱিচা' (Avisa) আৰু ষ্ট্ৰাচবার্গত ৰিলেশ্যনচ্ (Relations) নামৰ দুখন সংবাদ পৃষ্ঠা নিয়মীয়াকৈ প্ৰকাশিত হৈছিল। ১৬১৮ চনতসাপ্তাহিক বাতৰি-কাকতে আত্মপ্ৰকাশ কৰিছিল। ইংৰাজী, ফৰাছী, ডাচ্ছ আৰু জার্মান ভাষাৰ এই বাতৰি-কাকতবোৰ হলেণ্ডৰ এমষ্টাৰডাম চহৰৰ পৰা প্ৰকাশিত হৈছিল। ১৬২১ চনত ক'ৰেণ্ট' (Coranto) নামৰ এখন ইংৰাজী সংবাদ-পৃষ্ঠা প্ৰকাশিত হৈছিল। ১৬৬০ চনৰ ২০ ছেপ্টেম্বৰত প্ৰকাশক বেঞ্জামিন হেৰিছনে ব'ষ্টন চহৰত আমেৰিকাৰ প্ৰথমখন বাতৰি-কাকত 'পাব্লিক অ'কাৰেন্সেচ্ বোথ ফৰেইন এণ্ড ড'মেষ্টিক' (Publick Occurrences Both Forreign and Domestick) প্ৰকাশ কৰিছিল। কিন্তু কর্তৃপক্ষৰ ৰোষৰ বলি হোৱা বাবে অতি সোনকালে প্ৰকাশকে কাকতখনৰ ছপা কাম বন্ধ কৰিবলৈ বাধ্য হৈছিল। ১৬৬০ চনলৈ বৃটেইনত সংবাদ-পৃষ্ঠাৰ প্ৰকাশে এক স্থায়ী ৰূপ ধাৰণ কৰিছিল। ১৬৬৫ চন অক্সফ'ৰ্ড গেজেট (Oxford Gazette) প্ৰকাশিত হৈছিল। পৰৱর্তী সময়ত ইয়াৰ মান সলনি কৰি লণ্ডন গেজেট (London Gazette) কৰা হৈছিল। কিন্তু ১৭২০ চনতহে ইংলেণ্ডৰ প্ৰথমখন দৈনিক বাতৰি-কাকত দ্য ডেইলি ক'ৰেণ্টৰ (The Daily Courant) প্ৰকাশ আৰম্ভ হৈছিল আমেৰিকাৰ ফেডাৰেলিষ্ট আৰু ৰিপাব্লিকান দুয়োটা ৰাজনৈতিক দলেই অসংখ্য বাতৰি-কাকতৰ পৃষ্ঠপোষকৰ ভূমিকা লৈছিল যদিও এইবোৰে সাধাৰণ মানুহক বিশেষ আকর্ষণ কৰিব পৰা নাছিল। আমেৰিকাৰ প্ৰথম দৈনিক বাতৰি-কাকত পেনচিলভেনিয়া ইভিনিং পোষ্ট (The Pennsylvania Evening Post)১৭৮৩ চনৰ মে' মাহত প্ৰকাশিত হৈছিল। কাকতখনৰ আয়ুস আছিল মাত্ৰ এমাহ। তাৰ পাছত দ্য পেনচিলভেনিয়া পেকেট, দ্য ডেইলি এডভার্টাইজাৰ, দ্য নিউ ইয়র্ক মর্নিং পোষ্ট আৰু দ্য নিউ ইয়র্ক ডেইলি এডভার্টাইজাৰ আদিৰ দৰে আন বহুতো বাতৰি-কাকতে আত্মপ্ৰকাশ কৰিছিল।

অতি সোনকালেই ভাৰতকে ধৰি পৃথিৱীৰ বিভিন্ন দেশত বাতৰি-কাকতে আত্মপ্রকাশ কৰিছিল। ভাৰতৰ গোৱাত ১৫৫৬ চনত প্রথমটো ছপাশাল বহুওৱা হৈছিল। ১৭৮০ চনত কলিকতাত (বর্তমানৰ কলকাতা) ভাৰতৰ প্রথমখন বাতৰি-কাকত প্রকাশিত হৈছিল। আইৰিছ প্রকাশক জে'মছ আগষ্টাচ হিকীক ইয়াৰ কৃতিত্ব দিয়া হয়। ১৭৮০ চনৰ ২৯ জানুৱাৰীত কলকাতাত তেওঁ দ্য বেংগল গেজেট অথবা কেলকাতা জেনেৰেল এডভার্টাইজাৰ নামৰ কাকতখনৰ প্রকাশ আৰম্ভ কৰিছিল। দুই পৃষ্ঠাৰ কাকতখনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কর্মচাৰীসকলৰ ব্যক্তিগত জীৱনৰ সৈতে জড়িত কাহিনী প্রকাশ কৰা হৈছিল। মেচিংক আৰু ৰীডে ভাৰতৰ দ্বিতীয়খন বাতৰি কাকত ইণ্ডিয়া গেজেট প্রকাশ কৰিছিল। অতি সোনকালেই আন কেইবাখনো ভাৰতীয় বাতৰি-কাকতে আত্মপ্রকাশ কৰিছিল। কেলকাতা গেজেট (১৭৮৪), মাদ্রাজ কুৰিয়াৰ (১৭৮৫), বোম্বে হেৰল্ড (১৭৮৯) আছিল কেইখনমান জনপ্রিয় ইংৰাজী বাতৰি কাকত। আমি ভাৰতীয় ছপা মাধ্যমৰ ইতিহাসৰ বিষয়ে স্নাতক গণ সংযোগে পাঠ্যক্রমৰ অষ্টম পাঠ্য বিষয়ৰ 'সংবাদ মাধ্যমৰ ইতিহাস' নামৰ কাকতখনত আলোচনা কৰিম।

১৮৮০-১৯২০ কালছোৱাক ছপা মাধ্যমৰ (The Press) উদ্যোগিকীকৰণৰ যুগ বোলা হয়। এই সময়ছোৱাত হোৱা ঔদ্যোগিক বিকাশ, ছপা প্রযুক্তিৰ উন্নতৰ ৰূপ আৰু ব্যাপক হৈ পৰা ৰাজহুৱা শিক্ষাৰ ফলত পৃথিৱীৰ সকলোতে কেইখনমান প্রধান বাতৰি-কাকতে আত্মপ্রকাশ কৰিছিল। আমেৰিকাৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য। এই সময়ছোৱাতে জোচেফ পুলিৎঝাৰে 'নিউয়'র্ক ৱর্ল্ডৰ ভেটি স্থাপন কৰিছিল। এই কাকতত চিত্র ছপা হৈছিল আৰু ইয়াৰ অংগসজ্জাৰ ১৯৭০ চনৰ বাতৰি-কাকতবোৰৰ সৈতে বহুখিনি মিল আছিল। একে সময়তে হার্ভার্ড বিশ্বাবিদ্যালয়ৰ পৰা শিক্ষা সাং কৰা আৰু এগৰাকী ধনাঢ্য কেলিফ'র্ণিয়া খনি তথা পশুপামৰ গৰাকীৰ উত্তৰাধিকাৰী উইলিয়াম ৰেণ্ড'লফ্ হিয়ার্ষ্টে নিউইয়র্ক জার্ণেল নামৰ কাকতখন ক্রয় কৰি দেশৰ সর্ববৃহৎ ছপা মাধ্যম বজাৰত পুলিৎঝাৰক প্রত্যাহ্বান জনাইছিল। বহু পৃষ্ঠা সম্বলিত বাতৰি-কাকতৰ লগে লগে পৃথিৱীৰ বিভিন্ন অংশত তাঁৰৰ মাধ্যমেৰে তথ্য প্রেৰণ সেৱাই গা কৰি উঠিছিল। এই সময়ছোৱাৰ দুটামান লেখত ল'বলগীয়া সংবাদ এজেন্সী আছিল হাৱাচ (১৮৩২) এজেন্সি ফ্রান্স প্রেছ (১৮৩৫), এচোছিয়েটড প্রেছ (১৭৮৪) আৰু ৰয়টাৰ (১৮৫১)।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত বৈদ্যুতিক সংবাদ মাধ্যমৰ দ্রুত বিকাশ ঘটিছিল। বিশেষকৈ এই সময়ছোৱাত ৰেডিঅ' আৰু টেলিভিছনৰ জনপ্রিয়তা তুংগত আছিল। ১৯২০ৰ দশকৰ পৰা পৰীক্ষামূলক পর্যায়ত থকা টেলিভিছন সেৱা ১৯৪৮ চনৰ পৰা ব্যৱসায়িকভাৱে সুলভ হৈ পৰিছিল। ১৯৫০ ৰ দশকত মাজভাগলৈ আমেৰিকাৰ অধিকাংশ ঘৰতে একোটা টেলিভিছন আছিল। ছপা কামত ব্যৱহৃত কৌশলবোৰৰ অত্যাধুনিক বিকাশ ঘটাৰ লগে লগে নিচেই কম সময়তে যথেষ্ট সংখ্যক বাতৰি-কাকত প্রকাশ কৰাটো অতি সহজ কাম হৈ পৰিছিল। ভাৰতত ১৯২০ৰ দশকত ৰেডিঅ' সেৱা আৰম্ভ হৈছিল আৰু ১৯৫৯ চনৰ পৰা টেলিভিছন সেৱা খোলা হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ই ঠাইৰ পৰা সিঠাইলৈ কঢ়িয়াই নিব পৰা ছপাশাল কোনে উদ্ভাৱন কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ দ্য বেংগল গেজেটত কেনেধৰণৰ বাতৰি প্রকাশিত হৈছিল?

.....

১.৫ সাংবাদিকতাৰ উদ্দেশ্য

সাংবাদিকতাৰ প্রধান উদ্দেশ্য হ'ল নাগৰিকক এখন মুক্ত সমাজত চলিবলৈ প্রয়োজন হোৱা যথার্থ আৰু ভাৰসাযোগ্য তথ্যৰ যোগান ধৰা। এই উদ্দেশ্যটো পূৰণ কৰিবলৈ সাংবাদিকতাই আন বিভিন্ন ধৰণৰ ভূমিকা পালন কৰে। যেনে- সমূহ অথবা সম্প্রদায়ৰ সংজ্ঞা নির্ধাৰণ কৰাত সহায় কৰে, ভাষাৰ এটা উমৈহতীয়া মাধ্যম আৰু উমৈহতীয়া জ্ঞান সৃষ্টি কৰে, সমূহ অথবা সম্প্রদায়ৰ লক্ষ্য চিনাক্ত কৰি উলিয়ায়, সমাজৰ অতন্দ্র প্রহৰীৰ দায়িত্ব পালন কৰে তথা সমাজৰ দুর্বল শ্রেণীৰ হকে মাত মতা কণ্ঠত পৰিণত হয়।

সময়ৰ লগে লগে সাংবাদিকতাৰ সৈতে নটা (৯) প্রধান নীতি সংলগ্ন হৈছে। এই নীতিকেইটাকে সাংবাদিকতাৰ মূল উদ্দেশ্য বুলি অভিহিত কৰিব পৰা যায়। তলত নীতিকেইটা উল্লেখ কৰা হ'ল-

(১) **জ্ঞানপ্রাপ্ত নাগৰিক সৃষ্টি কৰা** (Informed Citizenry) ঃ সাংবাদিকতাৰ প্রধান উদ্দেশ্য হ'ল আমাৰ সামাজিক আৰু ৰাজনৈতিক সংৰচনাৰ বাবে এটা যথোচিত জ্ঞানপ্রাপ্ত নাগৰিক সমষ্টিৰ সৃষ্টি সুনিশ্চিত কৰা। একোটা যথোচিত জ্ঞানপ্রাপ্ত নাগৰিক সমষ্টিয়ে এখন উন্নতৰ গণতান্ত্রিক সমাজ প্রতিষ্ঠাত অৰিহণা আগবঢ়াব পাৰে। বিভিন্ন সংবাদ মাধ্যমে প্রতিদিনে পৃথিৰীৰ বিভিন্ন স্থানত সংঘটিত হোৱা ঘটনাবোৰৰ বিষয়ে মানুহক জনোৱাৰ প্রয়াস কৰে। এনে সংবাদ দুই ধৰণৰ হ'ব পাৰে- হার্ড সংবাদ (Hard News) আৰু ছফ্‌ট্ সংবাদ (Soft News)। হার্ড সংবাদবোৰ সত্যৰ ওপৰত আধাৰিত। চুৰি, অগ্নিসংযোগ, দুর্ঘটনা, হত্যা আদিৰ ঘটনা হার্ড সংবাদ হ'ব পাৰে। যিবোৰ সংবাদে মানুহৰ আৱেগক আলোড়িত কৰিব পাৰে তেনেধৰণৰ মানৱীয় আগ্রহ সৃষ্টিকাৰী সংবাদকে সাধাৰণতে ছফ্‌ট্ সংবাদ বোলা হয়।

(২) **জ্ঞানপ্রাপ্ত নাগৰিক সৃষ্টি কৰা** (Informed Media) ঃ সাংবাদিকতাৰ আন এটা গুৰুত্বপূর্ণ উদ্দেশ্য হ'ল মানুহক সংবাদ মাধ্যমৰ সকলোবোৰ দিশৰ জ্ঞান দিয়া। ই প্রযুক্তিগত দিশত হোৱা নতুন বিকাশৰ তথ্য সম্পর্কে মানুহক জানিবলৈ দিয়ে আৰু প্রকৃত পাঠক দর্শকৰ বাবে ছপা তথা অনুষ্ঠান প্রস্তুত কৰিব পৰাকৈ সাংবাদিকসকলৰ লেখনী- দক্ষতাৰ (writing skills) বিকাশ ঘটায়।

(৩) **জনসাধাৰণক শিক্ষিত কৰি তোলা** (Educate the Masses) ঃ জনসাধাৰণক তথ্যৰ যোগান ধৰাৰ লগতে সংবাদ মাধ্যমবোৰে ইয়াৰ পাঠক অথবা শ্ৰোতা-দৰ্শকক শিক্ষিত কৰি তোলাত বিশেষ ভূমিকাও পালন কৰে। ছপা মাধ্যমত বিশেষভাৱে দেখিবলৈ পোৱা বিষয় এটা হ'ল বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰি প্ৰখ্যাত লিখকসকলে প্ৰতি সপ্তাহতে একোটা বিশেষ প্ৰবন্ধ লিখে। বাতৰি-কাকতৰ এনে বিশেষ প্ৰৱন্ধ লানি সততে পঢ়িবলৈ পোৱা যায়। এনে ধৰণৰ বিশেষ লেখনীয়ে (write-ups) মানুহক বিভিন্ন বিষয়ৰ বিস্তৃত তথ্য যোগান ধৰাৰ লগতে কোনো সমস্যা অথবা বিষয় সন্দৰ্ভত কোনো এগৰাকী বিশেষ লেখকৰ দৃষ্টিভংগী জনাতো সহায় কৰে। পাঠকক কোনো এটা সাময়িক বিষয়ৰ শিক্ষা দিয়াত সম্পাদকীয় (Editorial) শিতানটোৱেও এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। সম্পাদকলৈ চিঠি (Letters to editors) হ'ল চিন্তা উদ্ৰেক কৰিব পৰা আন এক শিতান। বৈদ্যুতিক মাধ্যমবোৰে কোনো শেহতীয়া বিষয় অথবা সমস্যা সম্পৰ্কে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ 'পেনেল আলোচনা'ৰ দৰে বিশেষ অনুষ্ঠান পৰিৱেশন কৰে। সংবাদ চেনেলবোৰে ষ্টুডিঅ'লৈ আমন্ত্ৰণ কৰি অনা বিশেষ দৰ্শকৰ সৈতে বিশেষজ্ঞসকলে মত বিনিময় কৰি এনে অনুষ্ঠানবোৰক মত- চিন্তা প্ৰকাশৰ এক উচ্চতৰ মঞ্চত পৰিণত কৰে। অল ইণ্ডিয়া ৰেডিঅ' (AIR) আৰু দূৰদৰ্শনৰ দৰে ৰাজহুৱা সম্প্ৰচাৰ সেৱাবোৰে শ্ৰোতা-দৰ্শকক উপকৃত কৰিব পৰা বিভিন্ন শৈক্ষিক অনুষ্ঠান সম্প্ৰচাৰ কৰি আহিছে।

(৪) **জনসাধাৰণক মনোৰঞ্জনৰ খোৰাক যোগান ধৰা** (Provide entertainment to the Masses) ঃ ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমৰ আন এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল মানুহক মনোৰঞ্জনৰ খোৰাক যোগান ধৰা। বাতৰি-কাকতত মনোৰঞ্জনধৰ্মী বিভিন্ন লেখনী ছপা হয়। সেইবোৰে পাঠকৰ আকৰ্ষণ কৰে। বাতৰি-কাকতত প্ৰখ্যাত কাৰ্টুনিষ্টে আঁকা হাস্যৰস উদ্ৰেককাৰী বিষয়ৰ কাৰ্টুন শৃংখলা ছপা হয়। অনাতাঁৰ মাধ্যমে গীত-নাটৰ যোগেদি শ্ৰোতাক মনোৰঞ্জন প্ৰদান কৰে। টেলিভিছ্ন চেনেলবোৰে বিভিন্ন ধাৰাবাহিক, গীতৰ অনুষ্ঠান অথবা ভ্ৰমণ-জীৱনশৈলী বিষয়ক অনুষ্ঠানেৰে দৰ্শকৰ মনোৰঞ্জন কৰে।

(৫) **মানুহৰ সৈতে জড়িত বিষয় অথবা সমস্যাৰ লিখন / পঠনত মনোযোগ দিয়া** (Focus on writing /reading on people's issues) ঃ সাংবাদিকতাই সমাজত অন্তৰ্নিহিত হৈ থকা বিষয় অথবা সমস্যাবোৰ প্ৰকাশ কৰাত জোৰ দিয়ে। ই লগতে জনসাধাৰণে ভুগি থকা সমস্যাবোৰৰ প্ৰাসংগিকতাও আলোচনা কৰে।

(৬) **বহুমুখী-দৃষ্টিভংগী গ্ৰহণ পন্থাৰ পোষকতা কৰা** (Promotion of multi-perspective approach) ঃ সাংবাদিকতাই এটা বহুমুখী দৃষ্টিভংগী গ্ৰহণ পন্থা প্ৰদৰ্শন কৰাৰ উদ্দেশ্যেৰে বৃত্তিটোৰ সৈতে জড়িত প্ৰমূল্য আৰু আদৰ্শবোৰৰ পোষকতা কৰে। ই নাগৰিকক দেশৰ ৰাজনৈতিক বৈচিত্ৰ্য, ৰাজনৈতিকভাৱে প্ৰাসংগিক কাৰ্য-কলাপ আৰু অন্য নাগৰিকৰ চিন্তা-ধাৰণাবোৰৰ বিষয়ে অৱগত কৰে। এই উদ্দেশ্যত সম্পূৰ্ণৰূপে সফল হ'বলৈ সাংবাদিকসকল বহুমুখী দৃষ্টিভংগীৰ বিশ্লেষক হ'ব লাগিব। অৰ্থাৎ, বিভিন্ন প্ৰমূল্য, আগ্ৰহ আৰু উপাৰ্জনৰ লোকে

আগবঢ়োৱা বিভিন্ন ধৰণৰ কিন্তু গুৰুত্বপূৰ্ণ দৃষ্টিভংগীবোৰ সামৰি লৈ চালি-জাৰি চাব পৰা দক্ষতা সাংবাদিকৰ গাত থাকিব লাগিব।

১.৬ সমাজত সাংবাদিকতাৰ ভূমিকা

সাংবাদিকতাক প্ৰায়েই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। এক গণতান্ত্ৰিক শাসন ব্যৱস্থাত চৰকাৰৰ তিনিটা প্ৰধান অংশ থাকে। অংশ তিনিটা হ'ল- বিধানসভা (Legislature), কাৰ্যপালিকা (the Executive) আৰু ন্যায়পালিকা (the Judiciary)। এই অংশ তিনিটাক গণতন্ত্ৰৰ তিনিটা স্তম্ভ বুলি কোৱা হয়। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভটো হ'ল চৰকাৰৰ ওপৰত অনন্দ্ৰ প্ৰহৰীৰ দৰে নজৰ ৰখা মুক্তি সংবাদ মাধ্যম (যাক 'ফ্ৰী প্ৰেছ' বুলি কোৱা হয়)। ই প্ৰয়োজন সাপেক্ষে আইন সৃষ্টিকাৰী আৰু আইন প্ৰণয়নকাৰীসকলক সাৱধান কৰি দিয়ে আৰু বিভিন্ন আইন সম্পৰ্কে সৰ্বসাধাৰণক শিক্ষিত কৰি তোলে। যদি গণতন্ত্ৰৰ কোনোবাটো স্তম্ভ দুৰ্বল হৈ পৰে তেন্তে সমগ্ৰ শাসন ব্যৱস্থাটোৰ পতন ঘটিব। সেয়েহে গণতন্ত্ৰৰ বাবে এই চাৰিওটা স্তম্ভ শক্তিশালী আৰু সক্ৰিয় হৈ থকাটো দৰকাৰ।

সমাজত সাংবাদিকতাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ১৯২০ ৰ দশকৰ শেষৰফালে আধুনিক সাংবাদিকতাই গঢ় ল'বলৈ আৰম্ভ কৰিছিল। লেখক ৱাল্টাৰ লিপমেন আৰু আমেৰিকান দাৰ্শনিক জন ডিৱিয়ে সমাজত সাংবাদিকতাৰ ভূমিকা সম্পৰ্কে নিজ নিজ দৃষ্টি ভংগী আগবঢ়াইছে। তেওঁলোকৰ ভিন্ন দৰ্শনে সমাজত সাংবাদিকতাৰ ভূমিকা সম্পৰ্কে এতিয়ালৈকে বিতৰ্ক চলি থকাত অৰিহণা যোগাই আহিছে।

লিপমেনৰ মতে সাংবাদিকে জনসাধাৰণ আৰু নীতি নিৰ্ধাৰণকাৰী অতি ক্ষমতাশালী শ্ৰেণীটোৰ মাজত মধ্যস্থতাকাৰী অথবা তৰ্জমাকাৰীৰ (translator) ভূমিকা পালন কৰে। সাংবাদিকসকলে অতি ক্ষমতাশালী শ্ৰেণীটোৰ (elites) ভাষণ শুনিছিল, ভাষণবোৰ লিপিবদ্ধ কৰিছিল আৰু তাৰ পাছত জনসাধাৰণক সেইবোৰ জানিবলৈ দিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল সমাজত চাৰিওফালে বিয়পি থকা ক্ৰমবৰ্ধমান আৰু জটিল তথ্যৰ ভাণ্ডাৰটো ব্যাখ্যা কৰিব পৰাকৈ জনসাধাৰণৰ সামৰ্থ্য নাছিল। সেয়েহে সংবাদবোৰ পৰীক্ষা কৰিবলৈ মধ্যস্থতাকাৰীৰ সেৱাৰ প্ৰয়োজন হৈছিল। ইয়াৰ উপৰি সৰ্বসাধাৰণ আছিল দৈনন্দিন জীৱনৰ সৈতে অতি ব্যস্ত। তেওঁলোকৰ ৰাজহুৱা নীতি-নিয়ম সম্পৰ্কীয় সমস্যা অথবা বিষয়ত বিতৰ্কত লিপ্ত হ'বলৈ আৰু বিচাৰ-বিবেচনা কৰিবলৈ সময়ৰ অভাৱ আছিল। লিপমেনৰ মতে সাংবাদিকসকলে অতি ক্ষমতাশালী শ্ৰেণীটোৰ কাৰ্য-কলাপ জনসাধাৰণক অৱগত কৰাৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। কাৰণ এই জ্ঞানৰ ভিত্তিতে জনসাধাৰণে ভোটদান কৰি অতি ক্ষমতাশালী শ্ৰেণীটোৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াক প্ৰভাৱিত কৰিছিল।

আনহাতে ডিৱিয়ে বিশ্বাস কৰিছিল যে অতি ক্ষমতাশালী শ্ৰেণীটোৱে সৃষ্টি কৰা সমস্যাবোৰ বুজিবলৈ জনসাধাৰণৰ সামৰ্থ্য আছিল। তেওঁলোকে আনকি ৰাজহুৱা মঞ্চত বিষয়বোৰ সন্দৰ্ভত আলোচনা আৰু বিতৰ্কৰ মাধ্যমেৰে সিদ্ধান্তও গ্ৰহণ কৰিব পাৰিছিল। ৰাজহুৱা মঞ্চত সৰ্বোত্তম

চিন্তা-ধাৰণাৰ প্ৰকাশ ঘটাটো আছিল এনে আলোচনাৰ প্ৰধান সুবিধা। লিপমেনতকৈ ডিৱিৰ সাংবাদিকৰ ভূমিকা সম্পৰ্কীয় দৃষ্টিভংগী কিছু পৃথক আছিল। ডিৱিয়ে কৈছিল যে সাংবাদিকে তথ্য জমা কৰিব লাগে, তাৰ পাছত অতি ক্ষমতাশালী শ্ৰেণীটোৱে জনসাধাৰণৰ ওপৰত প্ৰণয়ন কৰা নীতিবোৰৰ পৰিণাম চালি-জাৰি চাব লাগে। ডিৱিৰ এই ধাৰণাটোৰ বৰ্তমানৰ 'সমূহীয়া অথবা সামূহিক সাংবাদিকতা'ৰ (Community Journalism) নামৰ নতুন সাংবাদিকতা ধাৰাটোত যথেষ্ট প্ৰতিফলন ঘটা দেখা গৈছে। সাংবাদিকতাৰ এই নতুন ধাৰাটোত সাংবাদিকসকলে নাগৰিক আৰু বিশেষজ্ঞসকলক সমানুপাতিকভাৱে অংশ গ্ৰহণ কৰোৱায় আৰু আলোচনাৰ বিষয়বস্তু সৃষ্টি কৰে। ব্যক্তিৰ গাইগুটীয়া জ্ঞানৰ তুলনাত ভাগ-বাটোৱাৰাৰ মাধ্যমেৰে আহৰণ কৰা জ্ঞানে মানুহক অধিক আকৰ্ষণ কৰে বুলি প্ৰচলিত সত্যটো হ'ল ডিৱিৰ ধাৰণাটোৰ উৎস। আন অৰ্থত, ডিৱিয়ে ভাবিছিল যে বিতৰ্ক আৰু আলোচনা হ'ল গণতন্ত্ৰৰ এৰাব নোৱৰা অংশ। সাংবাদিকে চৰকাৰ আৰু অন্য কাম-কাজৰ ওপৰত চোকা দৃষ্টি ৰাখে তথা সময়ত বিভিন্ন সমস্যা সম্পৰ্কত জ্ঞানপ্ৰাপ্ত সিদ্ধান্ত (informed decisions) লোৱাত জনসাধাৰণক সহায় কৰে।

সামৰণিত ইয়াকে ক'ব পাৰোঁ যে সাংবাদিকতা হ'ল এনে এক বিশেষ বৃত্তি যিটোৱে সমাজক প্ৰভাৱিত তথা নিয়ন্ত্ৰণ কৰিবলৈ, প্ৰমূল্য প্ৰকাশ কৰিবলৈ, এখন মঞ্চ হিচাপে কাম কৰিবলৈ, কোনো বিশেষ মান সৃষ্টি কৰিবলৈ আৰু সংবাদ মাধ্যমক মনোৰঞ্জন প্ৰদানকাৰী এক জনপ্ৰিয় মাধ্যম হিচাপে গঢ়ি তুলিবলৈ প্ৰচাৰ অথবা সংবাদ মাধ্যমৰ বিভিন্ন ৰূপক ব্যৱহাৰ কৰে। সংবাদ মাধ্যম হ'ল তথ্য সম্প্ৰচাৰৰ প্ৰধান উপায়। ই তথ্যৰ সকলো সমষ্টিৰো প্ৰধান উৎস। সামাজিক ক্ষেত্ৰৰ অধিকাংশ অনুষ্ঠান-প্ৰতিষ্ঠানক প্ৰয়োজন হোৱা সকলো ধৰণৰ তথ্য প্ৰস্তুত আৰু প্ৰচাৰ কৰাৰ কামটো সংবাদ মাধ্যমে সমাধা কৰে। মেক্‌কুৱেইলে সংবাদ মাধ্যমৰ মঞ্চ হিচাপে কাম কৰাৰ ভূমিকাটো ব্যাখ্যা কৰিছিল। তেওঁ কৈছিল যে সংবাদ মাধ্যমে ৰাজহুৱা বিষয়বোৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিয়ন্ত্ৰণ তথা কাৰ্য ৰূপায়ণ কৰাৰ এক মঞ্চৰূপে কাম কৰিব পাৰে। সংবাদ মাধ্যমৰ যোগেদি সমাজবোৰৰ গতিশীল সংস্কৃতি আৰু প্ৰমূল্যবোৰে গঢ় লৈ উঠে। সংবাদ মাধ্যমেই সেইবোৰ সংৰক্ষণ আৰু প্ৰকাশো কৰে। সংবাদ মাধ্যমৰ এটা উচ্চ মনোৰঞ্জন মূল্য (high entertainment value) আছে। কাৰণ এই মাধ্যমটো বৈদ্যুতিক সংযোগ প্ৰযুক্তি আৰু বিভিন্ন যন্ত্ৰপাতিৰ ওপৰত নিৰ্ভৰশীল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সাংবাদিকতাৰ প্ৰধান উদ্দেশ্য কি?

.....

প্ৰশ্ন নং ৬ ঃ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কিহক কোৱা হয়?

.....

১.৭ সাংবাদিকতাৰ উপাদান

বিল ক'ভাছ্ আৰু টম ৰ'ছেন্ষ্টেইলৰ মতে সাংবাদিকতাৰ সৈতে মুঠ নটা (৯) উপাদান জড়িত হৈ আছে। তেওঁলোকৰ গ্ৰন্থ 'Elements of Journalism'ত এই উপাদানকেইটা সন্নিৱিষ্ট কৰা হৈছে। জনসাধাৰণক প্ৰয়োজনীয় তথ্য যোগান ধৰাৰ কৰ্তব্য পালন কৰিবলৈ সাংবাদিকসকল মুক্ত আৰু স্ব-নিয়ন্ত্ৰিত হ'ব লাগিব। সাংবাদিকে তলত উল্লেখ কৰা নিৰ্দেশনাবোৰ মানি চলিব লাগে-

- সাংবাদিকতাৰ প্ৰথম কৰণীয় হ'ল সঁচা কথা কোৱা।
- সাংবাদিকতা পোন প্ৰথমে নাগৰিকৰ প্ৰতি অনুগত।
- সাংবাদিকতাৰ মূলাধাৰ হ'ল সত্যাসত্য নিৰূপণৰ নিয়মানুৱৰ্তিতা।
- সাংবাদিকতা অনুশীলন কৰাসকলে সংবাদ হিচাপে লোৱা সকলো বিষয় অথবা বস্তুৰ পৰা নিজৰ স্বতন্ত্ৰতা বৰ্তাই ৰাখিব লাগে।
- সাংবাদিকতাই ক্ষমতাৰ স্বতন্ত্ৰ দাপোণ হিচাপে সেৱা আগবঢ়াব লাগে।
- সাংবাদিকতাই ৰাজহুৱা সমালোচনা আৰু বুজাপৰাৰ এক মঞ্চ গঢ়ি তুলিব লাগে।
- সাংবাদিকতাই বিশেষ ঘটনাবোৰক আকৰ্ষণীয় আৰু প্ৰাসংগিক ৰূপ দিয়াৰ চেষ্টা কৰিব লাগিব।
- সাংবাদিকতাই সংবাদক বিস্তৃত আৰু সমানুপাতিকভাৱে উপস্থাপন কৰিব লাগে।
- সাংবাদিকতাৰ অনুশীলন কৰাসকলে নিজৰ বিবেকৰ সিদ্ধান্ত ব্যৱহাৰ কৰাৰ সুযোগ পাব লাগে।



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিৰ পঢ়াৰ পাছত আমি গম পালোঁ যে-

- ইংৰাজী শব্দ 'Journalist','Journal' আৰু 'Journalism' মূল হ'ল ফৰাছী শব্দ Journal। ফৰাছী শব্দটোৰ উৎস হ'ল লেটিন অভিধা 'diurnalis' যাৰ অৰ্থ হ'ল 'দৈনিক' daily
- ৫৯ খৃষ্টপূৰ্বত ৰোমৰ প্ৰধান ৰাজহুৱা চতুষ্কোণ উদ্যানৰ দ্য ফ'ৰাম অঞ্চলত দৈনিক আঁৰি থোৱা দ্য এক্টা দিউৰ্না নামৰ হাতেলিখা বুলেটিনখনক পৃথিৱীৰ প্ৰথম বাতৰি-কাকত বুলি ধৰিব পাৰি।
- ভাৰতৰ মোগল শাসকসকলে ক্ৰমে ৰাকিয়া-নৱিচ আৰু কনফিয়ানৱিচ পদ দুটাৰ সহায়ত ৰাজহুৱা তথা গোপন সংবাদ-লেখকৰ দল গঠন কৰিছিল। তেওঁলোকে সপ্তাহত এবাৰকৈ সাম্ৰাজ্যৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হোৱা প্ৰধান ঘটনাবোৰ ৰাকিয়াত (ৰাজপত্ৰ

অথবা বার্তাবাহী নথি) লিপিবদ্ধ কৰিছিল। এনে সংবাদ-পত্রবোৰ ৰাজপ্রসাদৰ বিশেষ মহিলাসকলে প্রতি সন্ধিয়া সম্রাটক পঢ়ি শুনাইছিল।

- সাংবাদিকতা মানে হ'ল ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমৰ জৰিয়তে সংবাদ সংগ্রহ আৰু প্রচাৰ কৰা কার্য।
- ছপাশালৰ বিকাশৰ সৈতে সাংবাদিকতাৰ ইতিহাসৰ ঘনিষ্ঠ সম্পর্ক আছে।
- পঞ্চদশ শতিকাত জার্মানীৰ মেইঞ্জ চহৰৰ সোণাৰি জোহানেচ গুটেনবার্গে কঢ়িয়াই লৈ ফুৰিব পৰা ছপাশালৰ বিকাশ ঘটাইছিল। তেওঁ ধাতুৰে নির্মিত আখৰ সজ্জাৰ সৈতে ব্যৱহাৰ কৰিবৰ বাবে উপযুক্ত এবিধ চিয়াহীও উদ্ভাৱন কৰিছিল। ধাতুৰ আখৰ সজ্জাই কাঠৰ ব্লক পদ্ধতিৰ আখৰ সজ্জাৰ ব্যৱহাৰ নাইকিয়া কৰিছিল।
- ১৬০৯ চনত জার্মানীত অৱিচা আৰু ষ্ট্রচবার্গত ৰিলেশ্যনচ্ নামৰ দুখন সংবাদ পৃষ্ঠা নিয়মীয়াকৈ প্রকাশিত হৈছিল।
- ১৬৬০ চনৰ ২০ ছেপ্টেম্বৰত প্রকাশক বেঞ্জামিন হেৰিছনে ব'ষ্টন চহৰত আমেৰিকাৰ প্রথমখন বাতৰি কাকত 'পাব্লিক অ'কাৰেন্সেচ্ বোথ ফৰেইন এণ্ড ড'মেষ্টিক' প্রকাশ কৰিছিল।
- ১৭২০ চনত ইংলেণ্ডৰ প্রথমখন দৈনিক বাতৰি-কাকত দ্য ডেইলি ক'ৰেণ্ট প্রকাশিত হৈছিল।
- আইৰিছ প্রকাশক জে'মচ্ আগষ্টাচ হিকীক ভাৰতৰ প্রথমখন বাতৰি-কাকত প্রকাশৰ কৃতিত্ব দিয়া হয়। ১৭৮০ চনত তেওঁ কলকাতাত দ্য বেংগল গেজেট অথবা কেলকাতা জেনেৰেল এডভার্টাইজাৰ নামৰ কাকতখনৰ প্রকাশ আৰম্ভ কৰিছিল।
- সাংবাদিকতাৰ প্রধান উদ্দেশ্য হ'ল নাগৰিকক এখন মুক্ত সমাজত চলিবলৈ প্রয়োজন হোৱা যথার্থ আৰু ভাৰসাযোগ্য তথ্যৰ যোগান ধৰা। এই উদ্দেশ্যটো পূৰণ কৰিবলৈ সাংবাদিকতাই আন বিভিন্ন ধৰণৰ ভূমিকা পালন কৰে। যেনে— সমূহ অথবা সম্প্রদায়ৰ সংজ্ঞা নির্ধাৰণ কৰাত সহায় কৰে, ভাষাৰ এটা উমৈহতীয়া মাধ্যম আৰু উমৈহতীয়া জ্ঞান সৃষ্টি কৰে, সমূহ অথবা সম্প্রদায়ৰ লক্ষ্য চিনাক্ত কৰি উলিয়ায়, সমাজৰ অতন্দ্র প্রহৰীৰ দায়িত্ব পালন কৰে তথা সমাজৰ দুর্বল শ্রেণীৰ হকে মাত মতা কণ্ঠত পৰিণত হয়।
- সাংবাদিকতাক প্রায়েই গণতন্ত্রৰ চতুর্থ স্তম্ভ বুলি কোৱা হয়।



১.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

1. Aggarwal, Vir Bala, Gupta V.S., (2002) Handbook of Journalism and Mass Communication. New Delhi : Concept Publishing Company

2. Chaturvedi, B.K, Medhi, Dr. S.K (2008) Mass Communication, Principles and Practices. New Delhi : Global Vision Publishing House
3. Chaudhary, J.C (2007) Introduction to Journalism and Mass Communication. New Delhi : Authors Press
4. Kumar, Keval J. (2006) Mass Communication in India. Mumbai : Jaico Publishing House
5. Menon, P.K (2005) Practical Journalism. Jaipur : Aavishkar Publishers, Distributors
6. Pant, N.C (2002) Modern Journalism, Principles and Practice. New Delhi : Kanishka Publishers, Distributors

১.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাংবাদিকতা ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমৰ জৰিয়তে বাতৰি সংগ্ৰহ আৰু প্ৰচাৰৰ কাম কৰে। ৰেবষ্টাৰৰ থার্ড ইণ্টাৰনেশ্যনেল ডিক্সনেৰীৰ মতে সাংবাদিকতা হ'ল " উপস্থাপন, প্ৰকাশন অথবা সম্প্ৰচাৰৰ বাবে সাময়িক আগ্ৰহজড়িত বিষয়ৰ সংগ্ৰহ অথবা সম্পাদনা" কৰা কার্য। সাংবাদিকতাৰ ধাৰণাটোৰে একাধিক কার্যক্ষেত্ৰ সামৰি লোৱা হয়। সংবাদ প্ৰতিবেদন প্ৰেৰণ, সংবাদ লেখনী, সম্পাদনা, আলোকচিত্ৰ তোলা অথবা সংবাদৰ সম্প্ৰচাৰ কৰা আদি সকলো কাম সাংবাদিকতাৰ অন্তর্গত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দ্য এক্টা ডিউর্নাক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জোহানেচ গুটেনবার্গে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কর্মচাৰীসকলৰ ব্যক্তিগত জীৱনৰ সৈতে জড়িত কাহিনী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সাংবাদিকতাৰ প্ৰধান উদ্দেশ্য হ'ল নাগৰিকক এখন মুক্ত সমাজত চলিবলৈ প্ৰয়োজন হোৱা যথার্থ আৰু ভাৰসাযোগ্য তথ্যৰ যোগান ধৰা। এই উদ্দেশ্যটো পূৰণ কৰিবলৈ সাংবাদিকতাই আন বিভিন্ন ধৰণৰ ভূমিকা পালন কৰে। যেনে- সমূহ অথবা সম্প্ৰদায়ৰ সংজ্ঞা নির্ধাৰণ জ্ঞান সৃষ্টি কৰে, সমূহ অথবা সম্প্ৰদায়ৰ লক্ষ্য চিনাক্ত কৰি উলিয়ায়, সমাজৰ অতন্দ্ৰ প্ৰহৰীৰ দায়িত্ব পালন কৰে তথা সমাজৰ দুর্বল শ্ৰেণীৰ হকে মাত মতা কণ্ঠত পৰিণত হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত সংবাদ মাধ্যম (ফ্ৰী প্ৰেছ)।

১.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ সাংবাদিকতা মানে কি?

প্ৰশ্ন নং ২ ঃ সংবাদ মাধ্যমৰ ব্যৱহাৰৰ আধাৰত সৃষ্টি হোৱা সাংবাদিকতাৰ প্ৰকাৰবোৰ কি কি?

(খ) চুটি প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ সমাজত সাংবাদিকতাৰ ভূমিকা কেনেধৰণৰ? এই ক্ষেত্ৰত লিপমেন আৰু ডিৱিৰ দৃষ্টিভংগী কি আছিল?

প্ৰশ্ন নং ২ ঃ সাংবাদিকতাৰ উপাদানবোৰ কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন নং ১ ঃ সাংবাদিকতাৰ প্ৰাৰম্ভিক যুগৰ ইতিহাস বৰ্ণনা কৰক।

প্ৰশ্ন নং ২ ঃ বৈদ্যুতিক মাধ্যমৰ উত্থানে ছপা মাধ্যম সাংবাদিকতাৰ বিকাশ মন্থৰ কৰি তুলিছে নেকি? আপোনাৰ উত্তৰৰ সপক্ষে উদাহৰণ দাঙি ধৰক।

প্ৰশ্ন নং ৩ ঃ সাংবাদিকতাৰ মৌলিক উদ্দেশ্যবোৰ কি কি? ভাৰতৰ দৰে গণতান্ত্ৰিক দেশবোৰত সাংবাদিকতাই কেনে ভূমিকা পালন কৰে?

* * * * * *